# = লাচিত বৰফুকন =

পূব মাৰিজা বিজনী হাই স্কুল
মো: আবু বক্কৰ
শ্ৰেণী = অষ্টম

লাচিত বৰফুকন আছিল অসমত জন্মা সাহসী সেনাপতি আৰু বীৰ পুত্ৰ। আহোম-মোগলৰ মাজত সংঘটিত হোৱা শৰাইঘাটৰ যুদ্ধত তেওঁৰ নিৰ্ভীকতা, সাহসিকতা আৰু কাৰ্যদক্ষতাৰ পৰিচয় দিছিল, তেওঁৰ নাম অসমৰ ইতিহাসত অমৰ কৰি থৈ গৈছে। এই জনা বীৰ সন্তানৰ জন্ম 24 নৱেম্বৰ 1622 খ্ৰীঃৰ চৰাইদেউত হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল মোমাই তামুলী বৰবৰুৱা। লাচিত তেওঁৰ পিতৃ-মাতৃৰ চতুৰ্থ তথা কনিষ্ঠ সন্তান আছিল। লাচিত বৰফুকন অতি নিৰ্ভীক, সৎ আৰু কৰ্তৃবাদী আছিল। তেওঁৰ পিতৃ আহোম ৰজাৰ বৰবৰুৱা পদবীত থকা বাবে তেওঁ সৰুৰে পৰাই তেওঁৰ পিতৃৰ কাম-কাজ তথা বিভিন্ন ডা-ডাঙৰীয়াসকলৰ মাজত হোৱা আলোচনাবোৰ প্ৰত্যক্ষ কৰাৰ সুবিধা লাভ কৰিছিল আৰু এইবোৰৰ পৰা তেওঁ বহুতো জ্ঞান আহৰণ কৰিছিল। সৰু অৱস্থাতে তেওঁ নিজৰ দক্ষতাৰে আহোমৰ ৰজাঘৰত "হাচতিধৰা তামুলী" পদত নিযুক্তি লাভ কৰিছিল। এনেদৰে তেওঁ ৰজাঘৰত ক্ৰমে ঘোঁৰা বৰুৱা, দোলাকাষৰীয়া বৰুৱা, শিমলুগুৰীয়া ফুকন আদি পদবী লাভ কৰিছিল। অৱশেষত মিৰজুমলাৰ অসম আক্ৰমণৰ সময়ত তেওঁক স্বৰ্গদেউ চক্ৰধ্বজ সিংহই আহোমৰ বৰসেনাপতি পাতি বৰফুকন পদত নিযুক্তি দিছিল।

P.T.O.

১৬৬৭ চনত আহোম - মোগলৰ যুদ্ধ আৰম্ভ হৈছিল।
এইবাৰো লাচিতে তেওঁৰ বীৰত্বৰ পৰিচয় দি মোগল
সৈন্যক মানাহ নদী পাৰ কৰি খেদি পঠিয়াইছিল।
অসমীয়া সৈন্যৰ হাতত হোৱা মোগলৰ এই
পৰাজয়ৰ কথা সহ্য কৰিব নোৱাৰি মোগল
সম্ৰাট ঔৰংজেবে সেনাপতি ৰামসিংহক অসম
আক্ৰমণ কৰিবলৈ আদেশ দিছিল। মোগল
ৰ বিশাল সৈন্যবাহিনী দেখিও লাচিত বৰফুকন
অলপো বিচলিত নহৈ সাহসৰ সৈতে পৰাক্ৰমেৰে
যুঁজ দিবলৈ অসমীয়া সৈন্যসকলক আহ্বান
জনাই আৰু লগতে সকলোকে নিজৰ কৰ্তব্যত
প্ৰতি অৱহেলা নকৰাৰ সকীয়নি দিছিল।
তেওঁ উত্তৰ গুৱাহাটীৰ আমিনগাঁৱৰ ওচৰত শত্ৰু
সৈন্যক বাধা দিবলৈ এটা গড় - নিৰ্মাণৰ কাম
আৰম্ভ কৰিছিল আৰু তাৰ চোৱা - চিতাৰ কাম
তেওঁৰ এজন মোমায়েকক প্ৰদান কৰিছিল, কিন্তু
গড় নিৰ্মাণৰ কাম পিছ পৰি থকাত গড় নিৰ্মাণ
খুলাইত তেওঁ মোমায়েকক শিৰচ্ছেদ কৰি "
"দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি দৈ
নিজ দেশপ্ৰেমৰ পৰিচয় দিছিল। ইয়াৰ পিছতে ১৬৭১
চনত মাটে আহোম - মোগলৰ শেষযুদ্ধ তথা
ইতিহাসপ্ৰসিদ্ধ শৰাইঘাটৰ ৰণ সংঘটিত
হৈছিল যত লাচিত বৰফুকনৰ সমৰ কৌশল
আৰু আসত বিশাল মোগল বাহিনী পৰাস্ত
হৈছিল। শৰাইঘাটৰ যুদ্ধৰ পিছতে গুৱাহাটীত
২৫ এপ্ৰিলত ১৬৭২ চনত লাচিত বৰফুকনৰ মৃত্যু
হৈছিল।

REDMI NOTE 11 PRO+ 5G
MAHARATHI@